# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-04-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

\- - - - - - - - - - - - - -

অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহুৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। কামৰূপ জিলাৰ বকো, ছয়গাঁও, হাজো, কমলপুৰ, উত্তৰ গুৱাহাটী, বাইহাটা চাৰিআলি, ৰঙিয়া আদিৰ ঠাইৰ প্ৰতিখন বজাৰত গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন বজাৰত প্ৰয়োজনীয় মাখিয়তি, দীঘলতি, থেকেৰা, বৰবেঙেনা, পানীলাও, হালধি আদি উপলব্ধ হোৱাৰ লগতে বিভিন্ন স্থানত গামোচাৰ বিপণীৰ লগতে ফাঁচী বজাৰ, গণেশগুৰি, পল্টন বজাৰ আৰু শ্বপিংমলসমূহত কাপোৰ ক্ৰয় কৰাৰ বাবে গ্ৰাহকৰ ভিৰ দেখা গৈছে।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই কাইলৈ জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে। ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়ে কাইলৈৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে।

গুৱাহাটীৰ বেলতলা বিহু উদযাপন সমিতিয়ে এইবছৰো অহা ২৪ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ বেলতলা বিদ্যালয় খেল পথাৰত ৪৮ সংখ্যক ব'হাগী উৎসৱৰ আয়োজন কৰিছে। এইবেলি বিহু উদ্‌যাপন সমিতিৰ সৰ্বোচ্চ সন্মান ড° ভূপেন হাজৰিকা বঁটা কণ্ঠশিল্পী জুবিন গাৰ্গক প্ৰদান কৰা হ'ব। তদুপৰি ৰাজ্যৰ বিভিন্ন বিহুমঞ্চত শ্ৰেষ্ঠত্ব অৰ্জন কৰা বিহুৱতীসকলৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত কৰি পাটমাদৈ বঁটা প্ৰদান কৰা হ'ব।

অসমৰ বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠীয়ে অনাদিকালৰে পৰা বিহু পালন কৰি আহিছে। বাপতিসাহোন বিহুটি ডিমাছা, মৰাণ, মিছিং আৰু তিৱা সকলেনো কেনেকৈ পালন কৰে এই বিষয়ে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত আকাশবাণী গুৱাহাটী সংবাদ চলন্তিকাত শুনিবলৈ পাব। আমাৰ ডিমা হাচাও, তিনিচুকীয়া, ধেমাজি আৰু মৰিগাঁও জিলাৰ সংবাদ দাতাসকলৰ প্ৰতিবেদনৰ আধাৰত এই বিশেষ সংবাদ চলন্তিকা যুগুতাইছে ৰাজীৱ লোচন বৰঠাকুৰে।

ৰাজ্যৰ বিশিষ্ট বুদ্ধিজীৱি, সাহিত্যিক, মিতভাষৰ স্ৰষ্টা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ নগেন শইকীয়াই আজি তেখেতৰ বাসগৃহ **বৰ্ণমালাত** কেইবাগৰাকীও শুভাকাংশীয়ে শুভেচ্ছা জনায়। বৰেণ্য সাহিত্যিকগৰাকীয়ে অসমবাসী ৰাইজলৈ ৰঙালী বিহু আৰু অসমীয়া নৱবৰ্ষৰ ওলগ জনাই আটাইৰে কুশল-মংগল কামনা কৰে। তেওঁ পূৰ্বৰ তিক্ত অভিজ্ঞতা পাহৰি নতুন মাত্ৰা আৰু যাত্ৰাৰে নিজৰ লগতে সমাজৰ নিস্বাৰ্থভাৱে সেৱা আগবঢ়াই অসমক এখন সমৃদ্ধশালী ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

হোজাই জিলাৰ কাকীত ছগৰাকী শিক্ষকৰে গঠিত দিনবন্ধু নামৰ এটা স্বেচ্ছাসেৱী সংগঠনৰ জৰিয়তে ঠাইখনৰ তিনিগৰাকী ব্যক্তিক আজি বিহুৱান, খাদ্য-সামগ্ৰী আৰু আৰ্থিক সাহায্য প্ৰদান কৰে। নিজাববীয়া প্ৰচেষ্টাৰে বিগত কেইবাবছৰ ধৰি এই সংগঠনটোৱে বিহুৰ সৈতে সংগতি ৰাখি আৰ্থিকভাৱে দুৰ্বল, শাৰীৰিকভাৱে অক্ষম, দৰিদ্ৰ তথা ৰোগগ্ৰস্ত লোকক সহায় কৰি আহিছে। জিলাখনৰ আয়ুক্ত কাৰ্যালয়তো

প্ৰতিটো বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে মিলি আজি গীত-মাতৰ অনুষ্ঠানৰ আয়োজন কৰে। নিৰ্বাচনৰ ব্যস্ততাৰ বাবে পৰিয়ালৰ পৰা আঁতৰি থাকিবলগীয়া হোৱা সকলৰ বাবে বিহু উদযাপনৰ এই প্ৰচেষ্টা হাতত লোৱা বুলি আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

নগাঁও জিলাতো ৰঙালী বিহুৰ প্ৰস্তুতি অব্যাহত আছে। জিলাখনত বিহু উদযাপন সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়া–

**ভইচ (মুনীন্দ্ৰ শইকীয়া)**

চিৰাং জিলাৰ বিজনী ৰঙালী বিহু উদযাপন সমন্বয় সমিতিৰ উদ্যোগত কাইলৈৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে ৰঙালী বিহু উদযাপন কৰিবলৈ লোৱা হৈছে। ইয়াৰ সৈতে সংগতি ৰাখি ইতিমধ্যে দুটা পৰ্যায়ত বিহু নাচৰ কৰ্মশালা অনুষ্ঠিত হৈ যায় বুলি উদোক্তাসকলে জানিবলৈ দিছে।

০০০০

অসম সাহিত্য সভাৰ পাটাছাৰকুছি শাখা সাহিত্য সভাই বজালী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ সহযোগত আজি **নিজৰ দিন** পালন কৰে। অনুষ্ঠানৰ পাটাছাৰকুছি অঞ্চলৰ সমাজৰ ভিন ভিন ক্ষেত্ৰৰ সৈতে জড়িত ২১ গৰাকী লোকক একোখনকৈ বিহুৱান আৰু অসম সাহিত্য সভাৰ ওলগনি পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়।

০০০০

অসম চৰকাৰী ভাষা আইন-১৯৬০ৰ ৭ আৰু ৩ নম্বৰ ধাৰা অনুসৰি বৰাক উপত্যকা, ষষ্ঠ অনুসূচীৰ অন্তৰ্গত পাৰ্বত্য জিলা আৰু বড়োলেণ্ড আঞ্চলিক পৰিষদৰ অধীনৰ অঞ্চলত স্থানীয় ভাষা ব্যৱহাৰৰ লগতে সমগ্ৰ ৰাজ্যতে অসমীয়া ভাষা ব্যৱহাৰৰ বাবে ৰাজ্য চৰকাৰে অধিসূচনা জাৰি কৰিছে। আজিৰে পৰা সকলো চৰকাৰী কাম-কাজত অসমীয়া ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক কৰা হৈছে। ৰাজ্য চৰকাৰৰ সকলো বিধেয়ক, আইন, নিয়ম, বিধি, আদেশ, অধিসূচনা প্ৰশাসনিক আৰু কাৰ্যবাহী নিৰ্দেশনা, বদলি আৰু নিযুক্তিৰ আদেশ তথা চৰকাৰী ৰাজপত্ৰ ইংৰাজী সংস্কৰণৰ লগতে অসমীয়া ভাষাত প্ৰকাশ কৰা হ'ব। বৰাক উপত্যকাৰ জিলাসমূহত সকলো চৰকাৰী কামৰ বাবে ইংৰাজীৰ উপৰিও বাংলা ভাষা ব্যৱহাৰ কৰা হ'ব। বড়োলেণ্ড পৰিষদীয় এলেকাত যিকোনো চৰকাৰী কামত ইংৰাজীৰ লগতে বড়ো ভাষা ব্যৱহাৰ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা সকলো আদেশ, অধিসূচনা আৰু নিৰ্দেশনা সংশ্লিষ্ট বিভাগৰ দ্বাৰা ৩০ দিনৰ ভিতৰত অসমীয়া ভাষা বা বড়ো বা বাংলা ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰিব লাগিব। পুৰণি সকলো আইন, নীতি, বিধি, অধিসূচনা আদিও দুই বছৰৰ ভিতৰত অসমীয়া ভাষালৈ অথবা প্ৰয়োজন সাপেক্ষে বড়ো আৰু বাংলা ভাষালৈ অনুবাদ কৰিব লাগিব।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমত লোৱাৰ বাবে ফোন লাইন পুনৰ মুকলি কৰিছে। আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু প্ৰাসংগিক অনুষ্ঠান সম্পৰ্কীয় অভিমত আৰু পৰামৰ্শ শ্ৰোতাসকলে ৯৮৬৪০ ৫৫৫৬৬ নম্বৰত ৱাটছএপ যোগে পঠিয়াব পাৰিব। এই অনুষ্ঠানৰ নিৰ্বাচিত অংশ অহা ১৯ এপ্ৰিল শনিবাৰে নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰ কৰা হ'ব।

০০০০

তিৱা জনগোষ্ঠীৰ লোকসকলৰ ছুগ্ৰা উৎসৱ হিচাপে পৰিচিত বসন্ত উৎসৱ অহা ১৭ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ পালন কৰা হ'ব। সুদীৰ্ঘ ২৫ বছৰৰ পাছত এইবেলি মেঘালয়ত বসবাস কৰা তিৱা জনগোষ্ঠীৰ লোকসকলে ৰাজ্যখনৰ লুম্ফৈ গাঁৱত এই ছুগ্ৰা উৎসৱৰ আয়োজন কৰিছে। এই উৎসৱৰ বাবে গোভা দেওৰজাৰ অনুমতিৰ প্ৰয়োজন হয়। সেই অনুসৰি মেঘালয়ৰ তিৱা জনগোষ্ঠীৰ বিষয়াবৰ্গই পাহাৰীয়া বাটেৰে পদব্ৰজে আহি গোভা দেওৰজা দীপ সিং দেওৰজাৰ অনুমতি লয়। পৰম্পৰা অনুসৰি ছুগ্ৰা উৎসৱৰ পাছতেই তিৱা জনগোষ্ঠীয় লোকসকলে ঝুম খেতি আৰম্ভ কৰে। প্ৰায় ২৫ বছৰৰ পাছত এই উৎসৱৰ আয়োজন কৰাক লৈ জনগোষ্ঠীটোৰ লোকসকলৰ মাজত উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০

সমাপ্ত